*Total number of printed pages–3*

**14 (ASM–2) 2036**

# 2024

# ASSAMESE

Paper : ASM–2036

***(Assamese Drama and Performance 1857–2015)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১২×৫=৬০

১। (ক) প্ৰাক-স্বাধীনতা যুগৰ অসমীয়া ঐতিহাসিক নাটকৰ ধাৰাটো সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। সেই যুগত এনে নাট ৰচনাৰ উদ্দেশ্য কি আছিল ?

(খ) ৰুদ্ৰৰাম বৰদলৈৰ 'বঙাল-বঙালনী' নাটকখনৰ মাজেৰে ঊনবিংশ শতিকাৰ অসমীয়া সমাজখন কিদৰে প্ৰতিফলিত হৈছে, উপযুক্ত নিদৰ্শনসহ আলোচনা কৰা।

*Contd.*

(গ) মহেশ্বৰ নেওঁনে পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা ‘গাওঁবুঢ়া’ নাটকখনক ‘লঘু গ্ৰাম্য কমেডি’ বুলি মন্তব্য দিছে — ‘গাওঁবুঢ়া’ নাটকৰ আধাৰত এই মন্তব্যৰ যুক্তিযুক্ততা প্ৰমাণ কৰা।

(ঘ) লক্ষ্মীনাথ বেজবৰুৱা ৰচিত ‘চক্ৰধ্বজ সিংহ’ নাটকখনৰ বিভিন্ন দিশত কিদৰে শ্বেকচ্‌পীয়েৰৰ প্ৰভাৱ পৰিছে, উপযুক্ত নিদৰ্শনসহ ব্যাখ্যা কৰি দেখুৱা ।

(ঙ) ‘জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকসমূহত নাৰী চৰিত্ৰৰ ভূমিকা আৰু গুৰুত্ব অপৰিসীম’ — জ্যোতিপ্ৰসাদৰ ‘কাৰেঙৰ লিগিৰী’ নাটকখনৰ প্ৰধান নাৰী চৰিত্ৰ, বিশেষকৈ ৰাজমাও, কাঞ্চনমতী আৰু শেৱালীৰ উল্লেখেৰে উক্তিটোৰ যথাৰ্থতা প্ৰতিষ্ঠা কৰা।

(চ) মহেন্দ্ৰ বৰঠাকুৰ ৰচিত ‘শৰাগুৰি চাপৰি’ নাটখনত ‘সাম্প্ৰদায়িক সম্প্ৰীতি আৰু মানৱতাবাদ’ কিদৰে প্ৰকাশিত হৈছে নাটখনৰ চৰিত্ৰ আৰু কাহিনীৰ আধাৰত বিচাৰ কৰা।

(ছ) অৰুণ শৰ্মাৰ ‘শ্ৰী নিবাৰণ ভট্টাচাৰ্য’ নাটখনৰ সংলাপ আৰু নাটকীয় কলাকৌশল সম্পৰ্কে আলোচনা কৰা। নাটখনক উদ্ভটধৰ্মী (Absurd) নাট বুলি কব পাৰিনে ?

(জ) শংকৰদেৱৰ অংকীয়া ভাওনাৰ পৰা আধুনিক প্ৰচেনিয়াম মঞ্চৰ উদ্ভৱ হোৱালৈকে — এই সময়ছোৱাৰ অসমৰ নাট্যমঞ্চৰ বিকাশ আৰু উত্তৰণ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।



২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) ভ্ৰাম্যমান থিয়েটাৰৰ নাটক আৰু মনোৰঞ্জন

(খ) ‘চক্ৰধ্বজ সিংহ’ নাটকৰ হাস্যৰস

(গ) ‘লুইত কন্যা’ নাটকত লোকনাট্যৰ কলাকৌশল

(ঘ) ‘চৰাগুৰি চাপৰি’ নাটকৰ অসম বুৰঞ্জীৰ প্ৰসঙ্গ

(ঙ) অসমীয়া অনাঁতাৰ নাটকৰ সংলাপ প্ৰক্ষেপন

(চ) এপিকধৰ্মী নাটক